নোৱাৰি। কিন্তু বাণিজ্যিক লেন-দেন পৰিশোধৰ সমতা তত্ত্বই এই দিশত কোনটো উপাদানে কোনটো উপাদানৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে তাক স্পষ্টৰূপত ব্যাখ্যা কৰিব নোৱাৰে।

5. পঞ্চমতে এই তত্ত্বই কেৱল তথ্যৰ বিষয়ে বৰ্ণনা দিয়ে কিন্তু কাৰণ আৰু সম্ভাব্য প্ৰতিকাৰৰ বিষয়ে কোনো পৰামৰ্শ সঠিকভাৱে আগবঢ়াব পৰা নাই।

### 4.8. **স্থিৰ আৰু পৰিৱৰ্তনীয় বিনিময় হাৰ** (Fixed and Flexible Exchange Rate System)ঃ

**4.8.1 স্থিৰ বিনিময় হাৰ** (Fixed Exchange Rate) ঃ বৈদেশিক লেন-দেনৰ পৰিশোধৰ ক্ষেত্ৰত যি বৈদেশিক বিনিময় হাৰ সাধাৰণতে পৰিৱৰ্তন নঘটে তাকে স্থিৰ বিনিময় হাৰ বোলা হয়। অপৰিবৰ্তনীয় কাগজী মূদ্ৰাৰ মানত আন্তৰাষ্ট্ৰীয় মুদ্ৰানিধিৰ ব্যৱস্থাত দুখন দেশৰ মাজত স্থিৰ বৈদেশিক বিনিময় হাৰ নিৰ্ধাৰণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয়। এচাম অৰ্থনীতিবিদৰ মতে আন্তৰ্জাতিক বাণিজ্য সুকলমে সংঘটিত কৰিবলৈ হ'লে দুখন দেশৰ মাজত বৈদেশিক বিনিময় হাৰ স্থিৰ হ'লে কিছুমান সুবিধা পোৱা যায়। কিন্তু আন এচাম অৰ্থনীতিবিদে স্থিৰ বিনিময় হাৰৰ বিৰোধিতা কৰি পৰিৱৰ্তনশীল বিনিময় হাৰ ধাৰণাটোৰ অৱতাৰণা কৰে।

**4.8.2 পৰিৱৰ্তনশীল বিনিময় হাৰ** (Flexible Exchange Rate) ঃ বৈদেশিক মুদ্ৰাৰ বজাৰত বৈদেশিক বিনিময় হাৰ নিজ দেশৰ প্ৰৱাহিত মুদ্ৰাৰ যোগান আৰু চাহিদাৰ দ্বাৰা নিৰ্ধাৰিত হয়। যদি কিবা কাৰণত প্ৰৱাহিত মুদ্ৰাৰ চাহিদাৰ পৰিৱৰ্তন ঘটে, নাইবা নিজ দেশৰ প্ৰৱাহিত মুদ্ৰাৰ যোগানৰ পৰিৱৰ্তন ঘটে, অথবা নিজ দেশৰ প্ৰৱাহিত মুদ্ৰাৰ যোগান-চাহিদা দুয়োটাৰে পৰিৱৰ্তন ঘটে তেনেহ'লে ভাৰসাম্য বৈদেশিক বিনিময় হাৰৰো পৰিৱৰ্তন ঘটিব পাৰে। এনেদৰে প্ৰৱাহিত মুদ্ৰাৰ যোগান-চাহিদাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ যোগেদি বৈদেশিক বিনিময় বজাৰত পৰিৱৰ্তন হোৱা বৈদেশিক বিনিময় হাৰকে পৰিৱৰ্তনশীল বৈদেশিক বিনিময় হাৰ বোলে। যিসকল অৰ্থনীতিবিদে পৰিৱৰ্তনশীল বৈদেশিক বিনিময় হাৰৰ সপক্ষে মত পোষণ কৰে এইসকল অৰ্থনীতিবিদে স্থিৰ বিনিময় হাৰৰ বিপক্ষে আৰু পৰিৱৰ্তনশীল বিনিময় হাৰৰ সপক্ষে মত পোষণ কৰা দেখা যায়। তলত এই দিশত অৰ্থনীতিবিদসকলৰ যুক্তিসমূহ আলোচনা কৰা হ'ল—

4.8.3 **স্থিৰ বিনিময় হাৰৰ সপক্ষে যুক্তি** (Arguments (Merits) for Fixed Exchange Rate) **:** যিবিলাক দেশে স্থিৰ বিনিময় হাৰ গ্ৰহণ কৰে তেনে দেশে নিজ দেশৰ প্ৰৱাহিত মুদ্ৰাৰ বৈদেশিক বিনিময় হাৰ চৰকাৰীভাৱে এক নিৰ্দিষ্ট হাৰত নিৰ্ধাৰণ কৰে। এনেদৰে নিৰ্ধাৰণ কৰা হাৰ যিমান দিনলৈ পাৰি অপৰিৱৰ্তনীয় অৱস্থাত ৰাখিবলৈ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰে। এচাম অৰ্থনীতিবিদৰ মতে, এই প্ৰকাৰ বিনিময় হাৰৰ কিছুমান সুবিধা আছে। এই সুবিধাবোৰ হ'ল—

1. স্থিৰ বিনিময় হাৰে এখন দেশৰ আমদানীকাৰী আৰু ৰপ্তানিকাৰীসকলৰ উপাৰ্জনৰ পৰিমাণ নিশ্চিত কৰি আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সম্প্ৰসাৰণত ইন্ধন যোগায়।

2. দ্বিতীয়তে, এখন দেশলৈ বৈদেশিক মুদ্ৰাৰ আন্তঃপ্ৰৱাহত স্থিৰ বিনিময় হাৰে প্ৰেৰণা যোগায়। ফলত দেশলৈ বৈদেশিক মুদ্ৰাৰ আগমন ঘটে। এনে বৈদেশিক মুদ্ৰাই দেশখনৰ অৰ্থনৈতিক উন্নয়নত যথেষ্ট বৰঙণি যোগান ধৰিব পাৰে।

3. তৃতীয়তে, স্থিৰ বিনিময় হাৰে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা বজাৰৰ লগতে আন্তৰাষ্ট্ৰীয় মূলধনৰ বজাৰখনকো সু-শৃংখল কৰি তুলিব পাৰে। ইয়াৰ ফলত আন্তঃৰাষ্ট্ৰীয় মূলধন আৰু মুদ্ৰা দুয়োখন বজাৰৰে উন্নতি হয় আৰু দেশত মূলধন গঠন প্ৰক্ৰিয়া ক্ষীপ্ৰ হয়।

4. স্থিৰ বিনিময় হাৰ বিদ্যমান অৱস্থাত আন্তৰ্জাতিক বাণিজ্যৰ আমদানি আৰু ৰপ্তানিৰ ওপৰত কোনো দেশেই আমদানি শুল্ক বা ৰপ্তানি শুল্ক আৰোপ কৰিব নোৱাৰে বাবে আমদানিকাৰী বা ৰপ্তানিকাৰীসকলে ভৱিষ্যত নিৰাপত্তা অনুভৱ কৰে।

5. স্থিৰ বিনিময় হাৰত বৈদেশিক বিনিময়ক হঠাৎ লাভপ্ৰসূত অভিপ্ৰায় (Speculative Motive) মুদ্ৰা বিনিময় সম্ভৱ নহয়। ফলত দেশত মাথোন দীৰ্ঘম্যাদী বিনিয়োগ সম্ভৱ হোৱাত স্থিৰ বিনিময় হাৰে সহায় কৰে।

6. ষষ্ঠতে, দেশ এখনৰ আভ্যন্তৰীণ অৰ্থনৈতিক সুস্থিৰতা ৰক্ষা কৰাৰ ক্ষেত্ৰত স্থিৰ বিনিময় হাৰৰ বৰঙনি আছে। ইয়াৰ কাৰণ মুদ্ৰা মজুতকৰণৰ সুবিধা নথকাত দেশত বিনিয়োগ হ্ৰাস পোৱাৰ সুবিধা নেথাকে।

7. কিছুমান দেশ আছে যাৰ আকাৰ অতি ক্ষুদ্ৰ পৰ্য্যায়ৰ। এনেবোৰ দেশৰ অৰ্থনৈতিক উন্নয়ন বা বিকাশত বৈদেশিক বাণিজ্যই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এনেবিলাক দেশৰ বাবে স্থিৰ বৈদেশিক বিনিময় হাৰ অধিক কাৰ্য্যকৰী।

8. অষ্টমতে, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা ব্যৱস্থা সফল প্ৰয়োগ হ'বলৈ হ'লে বৈদেশিক বিনিময় হাৰে স্থিৰ হোৱা বাঞ্চনীয়। অন্যথা আন্তৰ্জাতিক বাণিজ্যিক সম্পৰ্ক স্থাপন কৰা দেশসমূহৰ মাজত অসন্তুষ্টিয়ে গা-কৰি উঠাৰ সম্ভাৱনা থাকে।

যিসকল অৰ্থনীতিবিদে স্থিৰ বৈদেশিক বিনিময় হাৰৰ বিপক্ষে মত পোষণ কৰিছে সেইসকল অৰ্থনীতিবিদে ইয়াৰ বিপক্ষে যুক্তিও দাঙি ধৰিলে। ইয়াৰে কেইটামান যুক্তি হ'ল—

4.8.4 **স্থিৰ বিনিময় হাৰৰ অসুবিধাসমূহ** (Demerits) of the Fixed Exchange Rate)ঃ

1.প্ৰথমতে স্থিৰ বিনিময় হাৰ দীৰ্ঘদিনত স্বয়ংক্ৰিয়ভাৱে বৰ্ত্তি থাকিব নোৱাৰে। উদাহৰণস্বৰূপে কিবা কাৰণত কোনো এখন দেশৰ প্ৰৱাহিত মুদ্ৰাৰ বৈদেশিক বজাৰত চাহিদা-যোগান যিকোনো এটাৰ বা দুয়োটাৰে পৰিৱৰ্তন ঘটিলেই বৈদেশিক বিনিময় হাৰ পৰিৱৰ্তন হয়। গতিকে স্থিৰ বিনিময় হাৰ বল প্ৰয়োগেৰে নিয়ন্ত্ৰণ ৰখা বিনিময়ৰ হাৰ মাথোন। ই স্বয়ংক্ৰিয় বিনিময় হাৰ নহয়।

2.দ্বিতীয়তে, দেশ এখনৰ তাৰল্য পুঁজিৰ পৰিমাণ বাঢ়িলেহে বিনিয়োগ বৃদ্ধি পায়। বৈদেশিক মুদ্ৰা তাৰল্য পুঁজিৰ এক অবিচ্ছেদ্য অংগ। কিন্তু স্থিৰ বিনিময় হাৰৰ অধীনত তাৰল্য পুঁজি গঠন সম্ভৱ নহয়।

3. অনুন্নত অৰ্থনীতিসমূহে উন্নয়নৰ গতি ক্ষীপ্ৰ কৰিবলৈ হ'লে নিজ দেশত ভৱিষ্যত পৰিকল্পনাৰ সহায় লোৱাৰ প্ৰয়োজন হয়। এনে পৰিকল্পনাৰ লগত বৈদেশিক বিনিময় হাৰৰ সম্পৰ্ক আছে। ইয়াৰ কাৰণ স্থিৰ বিনিময় হাৰৰ অধীনত আন্তৰ্জাতিক মুদ্ৰা ব্যৱস্থাই নিৰ্দিষ্ট কৰি দিয়া মুদ্ৰানীতি মানি চলিও ইপ্সিত পৰিকল্পনা বাধাগ্ৰস্থ হোৱাৰ অৱকাশ থাকে।

4. চতুৰ্থতে, স্থিৰ বিনিময় হাৰ ধাৰণাটো স্বয়ংক্ৰিয় নহয়। গতিকে বৈদেশিক বিনিময় বজাৰত কিবা কাৰণত বিভিন্ন দেশৰ প্ৰৱাহিত মুদ্ৰাৰ নাটনি ঘটিলে স্বয়ংক্ৰিয়ভাৱে এনে সমস্যা সমাধান নহয়।

5. যদি কিবা কাৰণত বৈদেশিক বিনিময় হাৰৰ কিবা সংশোধন ঘটাব লগা কাৰণ থাকে তেন্তে এখন বা দুখন দেশে এনে সংশোধন ঘটাব নোৱাৰে। ইয়াৰ বাবে আন্তৰাষ্ট্ৰীয় মুদ্ৰা কৰ্তৃপক্ষৰ উমেহতীয়া অনুমতিৰ প্ৰয়োজন হোৱাত এই প্ৰকাৰ বিনিময় হাৰত অসুবিধাই দেখা দিয়ে।

6. ষষ্ঠতে, স্থিৰ বিনিময় হাৰে আন্তৰ্জাতিক বাণিজ্যৰ উন্নতিত বাধা প্ৰয়োগ কৰে। কিয়নো বাণিজ্য সম্পৰ্ক গঢ়ি তোলা দুখন দেশে আন্তৰ্জাতিক বাণিজ্যক নিজৰ দিশৰ পৰা সুবিধাজনক হোৱাকৈ স্বকীয় নীতি প্ৰস্তুত কৰি ল'ব নোৱাৰে।

7. সপ্তমতে, স্থিৰ বিনিময় হাৰ ব্যৱস্থা চলি থকা অৱস্থাত কোনো এখন দেশৰ প্ৰৱাহিত মুদ্ৰাৰ বৰ্হিমূল্যৰ অস্থিৰতাই দেখা দিয়ে এটা সময়ত এনে অস্থিৰতা দূৰ কৰাৰ কোনো বিকল্প পথ নেথাকে।

8. অষ্টমতে, স্থিৰ বৈদেশিক বিনিময় হাৰ কাৰ্য্যকৰী হ'বলৈ হ'লে মুক্ত বাণিজ্য নীতি গ্ৰহণ কৰিব পৰা নেযায়।

4.8.5 **পৰিৱৰ্তনশীল বৈদেশিক বিনিময় হাৰৰ সপক্ষে যুক্তি (Arguments (Merits) for Flexible Exchange Rate)** ঃ আগৰ আলোচনাত উল্লেখ কৰা হৈছে যে পৰিৱৰ্তনশীল বৈদেশিক বিনিময় হাৰ ব্যৱস্থাত বৈদেশিক বিনিময় মুদ্ৰাৰ চাহিদা আৰু যোগানৰ স্বয়ংক্ৰিয় পৰিৱৰ্তনৰ ভিত্তিত বিনিময় হাৰ নিৰ্ধাৰণ হ'বলৈ সুবিধা প্ৰদান কৰা হয়। এই প্ৰকাৰ বৈদেশিক বাণিজ্যৰ বিনিময় হাৰক যিসকল অৰ্থনীতিবিদে সমৰ্থন আগবঢ়াইছিল তেখেতসকলৰ যুক্তিসমূহ হ'ল—

1. এই প্ৰকাৰ বৈদেশিক বিনিময় হাৰে বৈদেশিক বাণিজ্যৰ লেন-দেনৰ সমতা স্বয়ংক্ৰিয়ভাৱে সম্পাদন হোৱাত সহায় কৰে। যেতিয়া এখন দেশৰ বৈদেশিক বাণিজ্যত ঘাটিৰ সৃষ্টি হয় তেতিয়া দেশখনৰ প্ৰৱাহিত মুদ্ৰাৰ বৈদেশিক বিনিময় মূল্য কমি যায়। ফলত দেশখনৰ ৰপ্তানিৰ পৰিমাণ বাঢ়ে আৰু আমদানিৰ পৰিমাণ কমে। এনেদৰে আমদানি আৰু ৰপ্তানি পৰস্পৰ বিপৰীত দিশত হোৱা পৰিৱৰ্তনে এক নতুন ভাৰসাম্য অৱস্থা স্বয়ংক্ৰিয়ভাৱে সৃষ্টি হোৱাত পৰিৱৰ্তনীয় বিনিময় হাৰে সহায় কৰে।

2. দ্বিতীয়তে, কোনো এখন অনুন্নত বা উন্নয়নশীল অৰ্থনীতিৰ আৰ্থিক উন্নয়নৰ গতি ক্ষীপ্ৰ কৰিবলৈ হ'লে দেশখনৰ চৰকাৰে দেশৰ আভ্যন্তৰীণ আৰ্থিক কাম-কাজসমূহ উপযুক্তভাৱে কাৰ্য্যকৰণ আৰু নিয়ন্ত্ৰণ কৰাৰ প্ৰয়োজন থাকে।

এনে কৰিবলৈ হ'লে বৈদেশিক বাণিজ্যত বৈদেশিক বিনিময় হাৰ পৰিৱৰ্তনশীল হ'লে অধিক সুবিধা লাভ কৰিব পাৰি।

3. তৃতীয়তে, কোনো এখন দেশৰ তাৰল্য পুঁজিৰ সমস্যাটোৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে দেশখনে পৰিৱৰ্তনশীল বৈদেশিক বিনিময় হাৰ ধাৰণাটোৰ সহায় লোৱা অধিক ফলপ্ৰসূ হয়। ইয়াৰ কাৰণ পৰিৱৰ্তনশীল বিনিময় ব্যৱস্থাত কোনো দেশেই বৃহৎ পৰিমাণৰ তাৰল্য পুঁজি সংৰক্ষণ কৰাৰ কোনো প্ৰয়োজন নেথাকে।

4. চতুৰ্থতে, পৰিৱৰ্তনশীল বিনিময় হাৰ নিৰ্ধাৰণ পদ্ধতিত স্বাভাৱিক প্ৰক্ৰিয়াৰে দুখন দেশৰ মাজত বৈদেশিক বিনিময় হাৰ নিৰ্ধাৰণ কৰিব পাৰি। বৈদেশিক বিনিময় বজাৰত নিজ দেশৰ প্ৰৱাহিত মুদ্ৰাৰ চাহিদা আৰু যোগানে স্বয়ংক্ৰিয়ভাৱে এনে ভাৰসাম্য বিনিময় হাৰ নিৰ্ধাৰণ কৰে।

5. পঞ্চমতে, কেতিয়াবা-কেতিয়াবা দুখন দেশৰ মাজত সুস্থিৰভাৱে আন্তৰ্জাতিক বাণিজ্য সংঘটিত কৰিবলৈ হ'লে বৈদেশিক বাণিজ্য হাৰৰ সংশোধন ঘটোৱাৰ প্ৰয়োজন থাকে। এনে পৰিৱৰ্তন একমাত্ৰ পৰিৱৰ্তনশীল বিনিময় হাৰৰ ক্ষেত্ৰতহে সম্ভৱ হয়।

6. বৰ্তমানৰ যুগটোক গোলকীকৰণৰ যুগ বোলা হয়। এনে সময়ত মুক্ত বাণিজ্য এক স্বাভাৱিক বাণিজ্যিক অৱস্থা। গতিকে সকলো আৰ্থিক কাৰ্য্যকলাপ মুক্তভাৱে পৰিচালিত হ'বলৈ দিয়াৰ দৰেই বৈদেশিক বাণিজ্যৰ বৈদেশিক বিনিময় হাৰো মুক্তভাৱে হ'বলৈ দিয়া বাঞ্চনীয়। সেয়েহে এনে অৱস্থাত পৰিৱৰ্তনশীল বিনিময় হাৰ অধিক কাৰ্য্যকৰী হয়।

**4.8.6 পৰিৱৰ্তনশীল বৈদেশিক বিনিময় হাৰৰ অসুবিধাসমূহ** (Demerits of the Flexible Foreign Exchange Rate)ঃ

1. **প্ৰথমতে**, এচাম অৰ্থনীতিবিদে মত পোষণ কৰে যে আন্তঃৰাষ্ট্ৰীয় বৈদেশিক বিনিময় বজাৰৰ স্থিতিস্থাপতা অতি কম হয়। সেইকাৰণে এনে বজাৰত পৰিৱৰ্তনীয় বিনিময় হাৰে এখন দেশৰ প্ৰৱাহিত মুদ্ৰাৰ বৈদেশিক বিনিময় হাৰৰ ওপৰত স্বয়ংক্ৰিয়ভাৱে প্ৰয়োজনীয় সংশোধনৰ বাবে প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। আপেক্ষিকভাৱে দূৰ্বল দেশৰ আমদানি-ৰপ্তানিৰ স্থিতিস্থাপকতা অতি কম হোৱা বাবে এনে দেশৰ প্ৰৱাহিত মুদ্ৰাৰ বৰ্হিমূল্য কম হয় ফলত এনেবিলাক দেশত দীৰ্ঘদিন ধৰি বৈদেশিক বাণিজ্যত ঘাটিৰ সৃষ্টি কৰে।

2. দ্বিতীয়তে, পৰিৱৰ্তনশীল বিনিময় হাৰে এহাতে আপেক্ষিকভাৱে দূৰ্বল দেশসমূহৰ আন্তৰাষ্ট্ৰীয় বাণিজ্যৰ সংকোচন ঘটায় আনহাতেদি মূলধন বিনিয়োগৰ ক্ষেত্ৰত অস্থিৰতা আৰু অনিশ্চয়তাৰ সৃষ্টি কৰে।

3.যিহেতু আন্তৰ্জাতিক বাণিজ্যত পৰিৱৰ্তনীয় বৈদেশিকবিনিময় হাৰে হঠাৎ লাভ প্ৰসূত অভিপ্ৰায়ত প্ৰেৰণাৰ যোগান ধৰে গতিকে অনুৎপাদনশীল দিশত বিনিয়োগ বৃদ্ধি পোৱাৰ সুবিধা থাকে বাবে বিনিয়োগ কাৰ্য্যত অস্থিৰতাই দেখা দিয়ে।

4. চতুৰ্থতে, কেতিয়াবা-কেতিয়াবা কিছুমান দেশে বৈদেশিক বাণিজ্যত পৰিৱৰ্তনশীল বৈদেশিক বিনিময় হাৰৰ সুবিধা গ্ৰহণ কৰি নিজ দেশৰ প্ৰৱাহিত মুদ্ৰাৰ মূল্য হ্ৰাস কৰি বৈদেশিক বিনিময়ৰ হাৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব খোজে। এনে হ'লে আন্তৰ্জাতিক পৰ্য্যায়ত বৈদেশিক বিনিময় হাৰৰ স্থিৰতা ৰক্ষাত বাধাৰ সৃষ্টি হয়।

5. পঞ্চমতে, পৰিৱৰ্তনশীল বৈদেশিক বিনিময় হাৰে কেতিয়াবা দেশীয় চৰকাৰে গ্ৰহণ কৰা উন্নয়নৰ আঁচনিসমূহৰ ইপ্সিত লক্ষ্যত উপনীত হোৱাত বাধাৰ সৃষ্টি কৰে।

... পৰিশোধৰ ক্ষমতা (Balance of